স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

৭ □ শনিবাৰ □ ১১ ফাগুন ১৯৪৫ শক □ ২৪ ফেব্ৰুৱাৰী ২০২৪ চন □ VOL-13 □ NO-347 □ SATURDAY 24 FEBRUARY 2024 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-J1

Estd-1945
Date
Dibrugarh Assam

## সুপ্ৰভাত

আজিৰ দিনটোতে—

- চিলাবায় দিৱস
- থাইলেণ্ডত ৰাষ্ট্ৰীয় শিল্পী দিৱস
- মেক্সিক'ত পতাকা দিৱস
- ১৮২৬ত ইয়াণ্ডাবু সন্ধি স্বাক্ষৰ
- ১৯৫৫ত ব্যৱসায়ী-আৱিষ্কাৰক ষ্টীভ জবছৰ জন্ম
- ১৯৬১ত সাংবাদিক পৰাগ কুমাৰ দাসৰ জন্ম

# ডিব্ৰুগড়ত আন্তৰ্জাতিক মাতৃভাষা দিৱস উদ্‌যাপন

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৩ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় সাহিত্য সভাৰ লক্ষ্মীনাথ বেজবৰুৱা প্ৰেক্ষাগৃহত ডিব্ৰুগড় জিলা লেখিকা সমাজ আৰু ডিব্ৰুগড় সাহিত্য সভাৰ সৌজন্যত উদ্‌যাপন কৰা হয় আন্তৰ্জাতিক মাতৃভাষা দিৱস। সেই অনুসৰি পুৱা প্ৰাতঃকাৰ্যসূচী ৰূপায়িত হয় বৰেণ্য সাহিত্যিক, পণ্ডিত ড° নগেন শইকীয়াৰ বাসগৃহ 'বৰ্ণমালা'ত ড° চুলতানা হাজৰিকাৰ কবিতাপুথি 'শ্বাসৰুদ্ধ'ৰ উন্মোচনেৰে। অনিতা গগৈয়ে আঁত ধৰা অনুষ্ঠানত উপস্থিত থাকে সাৰস্বত ন্যাসৰ সম্পাদক বীৰেন বৰুৱাকে ধৰি দুই- চাৰিজন বিশিষ্ট ব্যক্তি। কবিতাপুথিখন উন্মোচন কৰি সমূহ অসমীয়াকে আন্তৰ্জাতিক মাতৃভাষা দিৱসৰ শুভ বাৰ্তা আৰু কবিক অভিনন্দন জনায় প্ৰজ্ঞাৰ সাধকজনাই। নিজ মাতৃৰ প্ৰতি উছৰ্গা কৰা কবিতাপুথিখন উন্মোচনৰ মুহূৰ্তত অসমীয়া ভাষাৰ প্ৰতি দায়বদ্ধতাৰে কবিতাপুথিখন ৰচাৰ কথা কয় কাব্যগ্ৰন্থখনৰ প্ৰণেতা চুলতানা হাজৰিকাই। ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি, ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, ডিব্ৰুগড় জিলা লেখিকা সমাজৰ উপদেষ্টা ড° শশীকান্ত শইকীয়াই বন্তি



প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানৰ মঞ্চ উদ্বোধন কৰা হয় ডিব্ৰুগড় জিলা লেখিকা সমাজৰ সদস্য-সতীৰ্থসকলে পৰিৱেশন কৰা অসম লেখিকা সমাজৰ শীৰ্ষক গীত 'জাগা জাগা নাৰ' গীতটিৰে। তাৰ পিছতে হিৰোমা শইকীয়াৰ স্বৰচিত কবিতা পাঠেৰে আৰম্ভ কৰা হয় 'অসমীয়া ভাষা মোৰ সুৱদি-সুৰীয়া' শীৰ্ষক সাহিত্য সন্মিলনৰ বিয়ানাম, গীত-মাত, কবিতা পাঠ, অনুগল্প পঠনৰ কাৰ্যক্ৰম। ডিব্ৰুগড় জিলা লেখিকা সমাজৰ সম্পাদক অনিতা গগৈ আৰু ডিব্ৰুগড় সাহিত্য 'সভাৰ সাংগঠনিক সম্পাদক মীনাক্ষী দাস বৰুৱাই যুটীয়াভাৱে আঁত ধৰা কাৰ্যসূচীত অংশগ্ৰহণ কৰে অনুষ্ঠানত ডিব্ৰুগড় জিলাৰ বিভিন্ন স্থানৰ পৰা আহি সমৱেত হোৱা সতীৰ্থসকলে। বিয়লি অনুষ্ঠিত মূল সভাৰ প্ৰাৰম্ভ হয় মঞ্চলৈ বিশিষ্ট ব্যক্তিসকলৰ আদৰণি বৰণ আৰু আসন গ্ৰহণৰ পিছতে ডিব্ৰুগড় জিলা সমাজৰ সমৱেত সংগীত 'আমি এজাক জোনাক'ৰ পৰিৱেশনেৰে। সভাত সভাপতিত্ব কৰে সাহিত্যিক, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি ড° শশীকান্ত শইকীয়াই। মঞ্চত ৰাজহুৱাভাৱে পুনঃ উন্মোচন কৰা হয় ড° চুলতানা হাজৰিকাৰ কবিতাপুথি 'শ্বাসৰুদ্ধ'ৰ। তাৰ পিছতে 'মাতৃভাষাৰ মহত্ত্ব, বিৱৰ্তনৰ পথেৰে অসমীয়া সাহিত্য' শীৰ্ষক বক্তৃতানুষ্ঠানত মূল বক্তাৰূপে উপস্থিত থাকি নিৰ্দিষ্ট বিষয় সন্দৰ্ভত সামগ্ৰিকভাৱে সকলো দিশ সামৰি বক্তব্য আগবঢ়ায় লেখক, অনুবাদক, সম্পাদক, ডিব্ৰুগড় বিশ্ববিদ্যলয়ৰ অসমীয়া বিভাগৰ সন্মানীয় প্ৰাধ্যাপক ড° পল্লৱী ডেকা বুজৰবৰুৱাই। উক্ত বিষয় সন্দৰ্ভত সাৰগৰ্ভ বক্তব্য আগবঢ়ায় কবি, লেখক, সাহিত্য সমালোচক, ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ সন্মানীয় অধ্যাপক ড° মৃদুল শৰ্মাই। সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰি মঞ্চত আসনাধিষ্ঠসকল আছিল ড° শশীকান্ত শইকীয়া, ড° পল্লৱী ডেকা বুজৰবৰুৱা, ড° মৃদুল শৰ্মা, ড° প্ৰাতসলতা বুঢ়াগোহাই (প্ৰাক্তন সভানেত্ৰী, ডিব্ৰুগড় জিলা লেখিকা সমাৰোহ সমিতি, অসম সাহিত্য সভাৰ ডিব্ৰুগড় সাহিত্য সভাৰ কাৰ্যবাহী বিষয়ববীয়া), বীৰেন বৰুৱা (সম্পাদক, সাৰস্বত ন্যাস) উজ্জ্বল হাজৰিকা (বাণীমন্দিৰৰ স্বত্বাধিকাৰ), ড° স্মৃতিৰেখা দেৱী (অধ্যাপক, ডি হ সু কানৈ মহাবিদ্যালয়) বিবিজান দত্ত (সম্পাদক, ডিব্ৰুগড় কবি সন্মিলন), গৌতম গগৈ (অসম সাহিত্য সভা সংবাদৰ সম্পাদক, সম্পাদক সদৌ অসম মুক্ত লেখক সাংবাদিক সংস্থা), বিভাস দুৱাৰা (উপ-সভাপতি, ডিব্ৰুগড় সাহিত্য সভা), পি কে শ্ৰুতিকৰ (সম্পাদক, ৰেডক্ৰছ ছ'চাইটী), ইকবাল আহমেদ (জ্যেষ্ঠ সাংবাদিক), ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক, সাংবাদিক ৰাতুল বুঢ়াগোহাঁইকে আদি কৰি সমাজ জীৱনক সমৃদ্ধ কৰা বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকল। সংগীত শিল্পী ৰতন গগৈ, ভায়োলিনবাদক চন্দনা শৰ্মা প্ৰমুখ্যে বিভিন্ন সামাজিক সংগঠন লেখিকা সমাৰোহ, লেখিকা সংস্থা, ডিব্ৰুগড় জিলা কবি সন্মিলন, ডিব্ৰুগড় শিল্পী সমাজৰ প্ৰতিনিধিস্বৰূপ সদস্যসকলৰ উপৰি ডিব্ৰুগড় অধিবাসী সাহিত্যানুৰাগী ব্যক্তিসকলৰ উপস্থিতিৰে সমৃদ্ধ অনুষ্ঠানটি সমাপন ঘটে জিলা লেখিকা সমাজৰ সম্পাদকৰ শলাগৰ শৰাই, সভাপতিৰ মন্তব্য আৰু সভা ভংগৰ ঘোষণাৰে।